**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 31-03-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। পবিত্ৰ ৰমজান মাহৰ অন্তত সমগ্ৰ দেশতে ঈদ-উল-ফিতৰ উদযাপন কৰা হৈছে। ৰাষ্ট্ৰপতি, উপ-ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীয়ে ইছলাম ধৰ্মাৱলম্বী লোকসকললৈ ঈদৰ শুভেচ্ছা জ্ঞাপন কৰিছে।

২। ছট্টিশগড়ৰ দান্তেৱাড়া জিলাত নিৰাপত্তা ৰক্ষী আৰু মাওবাদীৰ মাজত আজি পুৱা সংঘটিত এটা সংঘৰ্ষৰ ঘটনাত এগৰাকী মহিলা মাওবাদী নিহত হয়।

৩। আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ'ল'ডিমিৰ জেলেনস্কিৰ বিশ্বাসযোগ্যতাক লৈ প্ৰশ্ন কৰা বাবে পুটিনক কঠোৰ সমালোচনা কৰিছে।

৪। জৰ্ডানৰ আমানত অনুষ্ঠিত এছীয় মল্লযুদ্ধ প্ৰতিযোগিতাত ভাৰতৰ দীপক পুনিয়া আৰু উদিতে ৰূপৰ পদক অৰ্জন কৰিছে।

আৰু

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি মুম্বাই ইণ্ডিয়ান্‌ছ কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

পবিত্ৰ ৰমজান মাহৰ অন্তত আজি সমগ্ৰ দেশতে ঈদ-উল-ফিতৰ উৎসৱ উদযাপন কৰা হৈছে। দেশৰ ভিন্ন প্ৰান্তত ইছলাম ধৰ্মাৱলম্বী লোকসকলে ঈদগাহ আৰু মছজিদসমূহত ঈদৰ সমূহীয়া নামাজত অংশগ্ৰহণ কৰে। দিল্লীত জামা মছজিদ, ফাতেহপুৰী মছজিদ আৰু শ্বাহী ঈদগাহ ময়দানত সমূহীয়া ঈদৰ নামাজৰ আয়োজন কৰা হয়।

ঈদ উপলক্ষে ৰাষ্ট্ৰপতি, উপ-ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীয়ে ইছলাম ধৰ্মাৱলম্বী লোকসকললৈ শুভেচ্ছা জ্ঞাপন কৰিছে। এটা বাৰ্তাত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কয়, যে এই উৎসৱে ভাতৃত্ববোধ, সহযোগিতা আৰু দয়াৰ মনোভাৱ বৃদ্ধি কৰে। ঈদ উৎসৱে শান্তি, প্ৰগতি আৰু সুখ কঢ়িয়াই আনি সমাজক ইতিবাচক দিশত আগুৱাই লৈ যাব বুলি ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে আশা প্ৰকাশ কৰে।

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে কয়, যে ঈদ উৎসৱে সাংস্কৃতিক বৈচিত্ৰ্যক প্ৰতিফলিত কৰাৰ লগতে একতাৰ মনোভাৱ জগাই তোলে। এই উৎসৱে জনসাধাৰণক শক্তিশালী আৰু সমৃদ্ধ দেশ নিৰ্মাণত সহায়ক হোৱা মূল্যবোধৰ প্ৰতি প্ৰেৰণা জগাই তুলিব বুলি তেওঁ আশা প্ৰকাশ কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ঈদ-উল-ফিটৰৰ শুভেচ্ছা জনাই সামাজিক মাধ্যমৰ এটা বাৰ্তাত আশা প্ৰকাশ কৰে, যে এই উৎসৱে সমাজত আশা, সমন্বয় আৰু দয়াৰ মনোভাৱ সুদৃঢ় কৰি তুলিব। তেওঁ এই উৎসৱৰ ক্ষণত সকলোৰে সাফল্য কামনা কৰে।

সমূহীয়া নামাজৰ বাবে অসমতো বিভিন্ন প্ৰান্তৰ মছজিদ আৰু ঈদগাহসমূহ সজাই তোলা হয়। অতিথিক আপ্যায়নৰ বাবে ঘৰে ঘৰে সুস্বাদু খাদ্য সম্ভাৰো প্ৰস্তুত কৰা হৈছে। ঈদ উপলক্ষে বিশ্ব শান্তিৰ কামনাৰে ৰাজ্যৰ ইছলামধৰ্মী লোকসকলে আজি সমূহীয়া নামাজত অংশগ্ৰহণ কৰে। অসমৰ ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য আৰু মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই ঈদ-ঊল-ফিটৰ উপলক্ষে ৰাজ্যবাসীক শুভেচ্ছা জ্ঞাপন কৰে।

০০০০০০০০০

ছট্টিশগড়ৰ দান্তেৱাড়া জিলাত নিৰাপত্তা ৰক্ষী আৰু মাওবাদীৰ মাজত আজি পুৱা সংঘটিত এটা সংঘৰ্ষৰ ঘটনাত এগৰাকী মহিলা মাওবাদী নিহত হয়। ঘটনাটো সন্দৰ্ভত আকাশবাণীৰ ৰায়পুৰৰ সংবাদদাতাই লাভ কৰা তথ্য অনুসৰি ৰাজ্যখনৰ বিজাপুৰ-দান্তেৱাড়া জিলাৰ সীমান্তৱৰ্তী এলেকাৰ অৰণ্যৰ মাজত নক্সালবিৰোধী অভিযান চলাবলৈ যোৱা নিৰাপত্তাৰক্ষীৰ এটা যুটীয়া দলৰ

সৈতে মাওবাদীৰ দল এটাৰ সংঘৰ্ষ হয়। এই সংঘৰ্ষত প্ৰাণ হেৰুওৱা মাওবাদী মহিলাগৰাকীৰ মৃতদেহ নিৰাপত্তাৰক্ষীৰ দলে ইতিমধ্যে উদ্ধাৰ কৰিছে। ঘটনাস্থলীৰ পৰা এটা ৰাইফল আৰু বিস্ফোৰক সামগ্ৰীও উদ্ধাৰ হৈছে। সংঘৰ্ষস্থলীত নিৰাপত্তাৰক্ষীৰ তালাচীৰ অভিযান এই বাতৰি যুগুতোৱাৰ পৰলৈ অব্যাহত আছে।

ooooooooo

বিশ্ব স্বাস্থ্য সংস্থাই ম্যানমাৰৰ ভূমিকম্পক বৃহৎ দুৰ্যোগ বুলি আখ্যা দিয়াৰ লগতে এই দুৰ্যোগৰ সৈতে মোকাবিলা কৰিবলৈ ৮ মিলিয়ন আমেৰিকান ডলাৰৰ প্ৰয়োজন আছে বুলি প্ৰকাশ কৰে।

সংস্থাটোৱে জনোৱা অনুসৰি দেশখনত শৈল্য চিকিৎসাৰ সীমিত সামৰ্থ্যৰ বাবে সংক্ৰমণৰ আশংকা বৃদ্ধি হৈছে। ভূমিকম্পৰ পাছত দেশখনত নানা ধৰণৰ বেমাৰ বৃদ্ধি হ'ব পাৰে বুলিও সংস্থাটোৱে শংকা প্ৰকাশ কৰিছে।

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে, যোৱা শুকুৰবাৰে ম্যানমাৰক ৭ দশমিক ৭ প্ৰাবল্যৰ আৰু ৬ দশমিক ৭ প্ৰাবল্যৰ ওপৰা-উপৰিকৈ অহা দুটা ভূমিকম্পই জোকাৰি যায়। এই ভূমিকম্পত ম্যানমাৰত এহেজাৰ ৭০০তকৈও অধিক লোকৰ মৃত্যু হোৱাৰ লগতে চুবুৰীয়া থাইলেণ্ডত কমেও ১৮ জন লোক মৃত্যুমুখত পৰে।

oooooooo

বৈদেশিক পৰিক্ৰমা মন্ত্ৰ্যালয়ে প্ৰকাশ কৰা অনুসৰি এন ডি আৰ এফৰ দলে ভূমিকম্প বিধবস্ত ম্যানমাৰৰ ইউ হ্লা থেইন স্তূপত উদ্ধাৰ অভিযান আৰম্ভ কৰিছে। এই স্তূপৰ ধ্বংসাৱশেষত প্ৰায় ১৭০ জন ভিক্ষু আৱদ্ধ হৈ আছে। মন্ত্ৰ্যালয়ে প্ৰকাশ কৰা মতে সেনাবাহিনীৰ দলে আজি চিকিৎসালয়স্থলী পৰিদৰ্শন কৰিব আৰু কাইলৈ চিকিৎসা সেৱা আৰম্ভ কৰিব। অপাৰেচন ব্ৰহ্মাৰ অধীনত বৈদেশিক পৰিক্ৰমা মন্ত্ৰ্যালয়ে ম্যানমাৰৰ স্কাই ভিলাতো এন ডি আৰ এফৰ উদ্ধাৰকাৰী দলৰ জৰিয়তে উদ্ধাৰ অভিযান চলোৱাৰ চেষ্টা কৰিছে। স্কাই ভিলাত থকা চাৰিটা ১১ মহলীয়া অট্টালিকাৰ আটাইকেইটাই ভূমিকম্পত ভাগি পৰিছিল। মন্ত্ৰ্যালয়ে লগতে উল্লেখ কৰে যে বৌদ্ধস্তুপটোৰ বাহিৰত আশ্ৰয় লৈ থকা প্ৰায় দুহেজাৰ ভিক্ষুৰ বাবেও ৰাজ্যিক মহানায়ক কমিটীক সাহায্য সামগ্ৰী প্ৰদান কৰা হ'ব। দেশখনত থকা ভাৰতীয়সকলৰ আশ্ৰয় আৰু খাদ্যৰ ক্ষেত্ৰতো ভাৰতে সহায়ৰ হাত আগবঢ়াইছে বুলি মন্ত্ৰ্যালয়ে প্ৰকাশ কৰে।

ooooooooo

উত্তৰ প্ৰদেশৰ এলাহাবাদ উচ্চ ন্যায়ালয়ে প্ৰশাসনিক ক্ষেত্ৰত গুৰুত্বপূৰ্ণ সাল-সলনি ঘটাই ৫৮২ গৰাকী ন্যায়িক বিষয়াক বদলি কৰিছে। এই বিষয়াসকলৰ মাজত ২৩৬ গৰাকী অতিৰিক্ত জিলা আৰু সত্ৰ ন্যায়াধীশৰ লগতে ২০৭ গৰাকী প্ৰথম শ্ৰেণীৰ জ্যেষ্ঠ ন্যায়িক দণ্ডাধীশ আৰু ১৩৯ গৰাকী কনিষ্ঠ ন্যায়িক দণ্ডাধীশ আছে। এলাহাবাদ উচ্চ ন্যায়ালয়ৰ যুটীয়া পঞ্জীয়ক সতীশ কুমাৰ পুস্কৰে কালি সন্ধিয়া ন্যায়িক বিষয়াসকলৰ বদলিৰ এই নিৰ্দেশ জাৰি কৰে।

ooooooooo

আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে ইউক্ৰেইনৰ যুদ্ধৰ ঘটনাক লৈ ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনৰ বিৰুদ্ধে কঠোৰ স্থিতি প্ৰকাশ কৰি ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ'ল'ডিমিৰ জেলেনস্কিৰ বিশ্বাসযোগ্যতাক লৈ প্ৰশ্ন কৰাৰ বাবে তেওঁক কঠোৰ সমালোচনা কৰিছে। সংবাদ মাধ্যমক দিয়া এটা সাক্ষাৎকাৰত শ্ৰী ট্ৰাম্পে এইবুলি সকিয়াই দিয়ে যে ৰাছিয়াই প্ৰস্তাৱিত যুদ্ধবিৰতিৰ প্ৰতি সহমত প্ৰকাশ নকৰিলে দেশখনৰ পৰা তেল ক্ৰয় কৰা সকলো দেশৰ ক্ষেত্ৰত আমেৰিকাই ৫০ শতাংশ কৰ বৃদ্ধিৰ ব্যৱস্থা ল'ব। তদুপৰি এনেক্ষেত্ৰত ৰাছিয়াৰ পৰা আমদানি কৰা তেল আৰু অন্যান্য সামগ্ৰীৰ ওপৰতো ২৫ শতাংশ কৰ বৃদ্ধি কৰা হ'ব বুলি তেওঁ সকিয়াই দিয়ে।

ooooooooo

ভাৰতীয় বায়ুসেনাই আজি গ্ৰীচত হ'বলগীয়া বহুদেশীয় বায়ু অনুশীলনত অংশগ্ৰহণ কৰিছে। ১২ দিনীয়া এই অনুশীলনৰ অহা ১১ এপ্ৰিলত অন্ত পৰিব। ভাৰতীয় বায়ুসেনাৰ দলত সুখই-৩০, আই এল-৭৮ আৰু চি-১৭ বিমান আছে। এই অনুশীলনৰ

দ্বাৰা ভাৰতীয় বায়ুসেনাৰ ক্ষমতা শক্তিশালী হ'ব আৰু অনুশীলনত অংশগ্ৰহণ কৰা দেশসমূহৰ সৈতে ভাৰতৰ সহযোগিতা বৃদ্ধি হ'ব।

০০০০০০

০০০০০০০০০

জৰ্ডানৰ আমানত অনুষ্ঠিত এছীয় মল্লযুদ্ধ প্ৰতিযোগিতাত ভাৰতৰ দীপক পুনিয়া আৰু উদিতে ৰূপৰ পদক অৰ্জন কৰিছে। দীপক পুনিয়াই ৯২ কিলোগ্ৰাম শাখাৰ পুৰুষৰ ফ্ৰী ষ্টাইল প্ৰতিযোগিতাত আৰু উদিতে প্ৰতিযোগিতাৰ ৬১ কিলোগ্ৰাম শাখাত ৰূপৰ পদক লাভ কৰে। ভাৰতৰ আন এগৰাকী খেলুৱৈ দীনেশে প্ৰতিযোগিতাৰ ১২৫ কিলোগ্ৰাম শাখাত তুৰ্কমেনিস্তানৰ জিয়ামুহাম্মেত ছাপাৰোভক পৰাভূত কৰি ব্ৰঞ্জৰ পদক অৰ্জন কৰে।

০০০০০০০০০

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগৰ বাতৰি আৰু কেতবোৰ অনুষ্ঠানৰ সময় কিছু সাল-সলনি কৰা হৈছে। শ্ৰোতাসকলৰ বিপুল দাবীৰ প্ৰতি সঁহাৰি জনাই জনপ্ৰিয় অনুষ্ঠান 'জিলাৰ ৰেহৰূপ' কাইলৈৰ পৰা পুনৰ সন্ধিয়াৰ পৰিৱৰ্তে পুৱা ৯ বাজি ১৫ মিনিটৰ পৰা ৯ বাজি ২০ মিনিটলৈ প্ৰচাৰৰ দিহা কৰা হৈছে। দিনৰ ১০ বজাত প্ৰচাৰিত মুখ্য বাতৰি কাইলৈৰ পৰা ১১ বজাত প্ৰচাৰ কৰা হ'ব। একেদৰে বিবিধ ভাৰতীযোগে পুৱা ৭ বাজি ২৮ মিনিট আৰু নিশা ৮ বাজি ২৮ মিনিটত প্ৰচাৰিত মুখ্য বাতৰিৰ প্ৰচাৰ কাইলৈৰ পৰা বন্ধ কৰা হ'ব।

০০০০০০০

আকাশবাণীৰ বাতৰি সেৱা বিভাগৰ দ্বিভাষিক ফোন ইন অনুষ্ঠান পাব্লিক স্পীকত আজি নিশা চাৰে ৯ বজাত **পোষণ অভিযানৰ জৰিয়তে পুষ্টিহীনতা নিৰ্মূল** সন্দৰ্ভত নতুন দিল্লীত অৱস্থিত সৰ্বভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানৰ শিশু শৈল্য চিকিৎসা বিভাগৰ সহযোগী অধ্যাপক ডাঃ অজয় বাৰ্মা আৰু পৰিপুষ্টিৰ বিশেষজ্ঞ ডাঃ ৰীচা জয়ছোৱালৰ সৈতে বিশেষ আলোচনা প্ৰচাৰ কৰা হ'ব। আগ্ৰহী শ্ৰোতাসকলে অনুষ্ঠান চলি থকাৰ সময়ত ০১১-২৩৪২ ১০৫০ আৰু ০১১ ২৩৩১ ৪৪৪৪ নম্বৰত ফোন কৰি **গৰ্ভৱতী মহিলা তথা শিশুৰ পুষ্টিহীনতা কিদৰে চিনাক্ত আৰু পৰিপুষ্টি নিয়ন্ত্ৰণ কৰিব পাৰি** এই সন্দৰ্ভত সমল ব্যক্তিসকলক প্ৰশ্ন সুধিব পাৰিব। শ্ৰোতাসকলে ৱাটছএপ যোগে ৯২৮৯০ ৯৪০৪৪ নম্বৰলৈও প্ৰশ্ন প্ৰেৰণ কৰাৰ লগতে সামাজিক মাধ্যম **এক্সত, হেছটেগ AskAir** ৰ জৰিয়তেও প্ৰশ্ন সুধিব পাৰিব।

০০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযো  গিতাত আজি মুম্বাইৰ ৱাংখে ড়ে ষ্টেডিয়ামত মুম্বাই ইণ্ডিয়ান  ছ, কলকাতা নাইট ৰাইডাৰছৰ মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব।

প্ৰতিযোগিতাৰ গুৱাহাটীৰ বৰ্ষাপাৰা ষ্টেডিয়ামত কালি নিশা অনুষ্ঠিত এখন খেলত ৰাজস্থান ৰয়েলছে চেন্নাই চুপাৰ কিংছক ৬ ৰানত পৰাস্ত কৰে।  প্ৰথমে বেট ধৰি ৰাজস্থান ৰয়েলছে নিৰ্ধাৰিত ২০  অ'ভাৰত ৯টা উইকেটৰ বিনিময়ত ১৮২  ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত চেন্নাই ছুপাৰ কিংছে নিৰ্ধাৰিত ২০ অ'ভাৰত ৬টা উইকেটৰ বিনিময়ত ১৭৬ ৰাণহে সংগ্ৰহ কৰিবলৈ সমৰ্থ হয়।

000000

সমাপ্ত